# অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত




কাৰ্যনিৰ্বাহক বৈঠকত সভাৰ সভাপতি, উপ-সভাপতি, ধনভঁৰালী আৰু প্ৰধান সম্পাদকৰ সৈতে আদৰণি সমিতিৰ বিষয়ববীয়াসকল

অসম সাহিত্য সভাৰ ২০২০-২২ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ দ্বিতীয় পূৰ্ণাংগ অধিৱেশন যোৱা ২৭ ফেব্ৰুৱাৰি তাৰিখে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ ডক্টৰ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত এই অধিবেশন পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি দাসো কলিতাই। ইয়াৰ পিছতেই উপসভাপতি মৃণালিনী দেৱীয়ে শুভাৰম্ভ কৰে স্মৃতি তৰ্পণ অনুষ্ঠান। ইয়াৰ পিছতেই আদৰণী সমিতিৰ সদস্যা সকলৰ "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক আৰম্ভণি গীতেৰে আৰম্ভ হয় দ্বিতীয় পূৰ্ণাংগ অধিৱেশনৰ মূল সভা।

সভাপতি ডক্টৰ কুলধৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত অধিৱেশনত আদৰণী ভাষণ প্ৰদান কৰে আদৰণী সমিতিৰ সভাপতি ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাই। ইয়াৰ পিছতেই অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ পিছত সেই প্ৰতিবেদনৰ ওপৰত কাৰ্যনিৰ্বাহক সদস্যসকলে আলোকপাত কৰে। উপ-সভাপতি মৃণালিনী দেৱী, প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা, ধনভঁৰালী প্ৰেমনাৰায়ণ নাথৰ উপস্থিতিত এই অধিবেশনত অসম সাহিত্য সভাৰ বৰ্তমানৰ কৰ্মসূচী, আঁচনি, ভৱিষ্যত কৰ্মপন্থা আদিৰ ওপৰত বহুকেইগৰাকী কাৰ্যনিৰ্বাহক সদস্যই সভাক গতিশীল কৰি তোলাৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাত অসম সাহিত্য সভাৰ 'পত্ৰিকা', 'বাৰ্তা', আদৰণী সমিতিৰ স্মৃতিগ্ৰন্থ 'সাংস্কৃতিকা'ৰ লগতে আন কেইখনমান গ্ৰন্থ উন্মোচিত হয়।

সভাপতি ডক্টৰ কুলধৰ শইকীয়াই প্ৰাৰম্ভিক ভাষণত অসম আৰু অসমীয়াক ভাল পোৱা সকলোৰে বাবে অসম সাহিত্য সভাৰ দুৱাৰ মুকলি কৰি ৰখা হৈছে বুলি কৈ অসমৰ গাঁও-ভুইৰ প্ৰতিভাসমূহ বিচাৰি উলিয়াই সেইসমূহৰ বিকাশত সহযোগিতা আগবঢ়াবলৈ প্ৰত্যেক গৰাকী সদস্যকে আহ্বান জনায়। আজিৰ এই দ্বিতীয় পূৰ্ণাংগ অধিৱেশনতে নতুনকৈ গঠন হোৱা কেবাখনো শাখা সাহিত্য সভা, স্বৰ্ণ শাখা, শতদল শাখা, আজীৱন, হিতৈষী, পৰম হিতৈষী, পৰম সুহৃদ আৰু হিতৈষী সভ্য সকলক আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰে। অধিৱেশনত প্ৰকাশন উপসমিতিয়ে ইতিমধ্যে প্ৰকাশ কৰা প্ৰকাশৰ বাবে নিৰ্বাচিত কৰা গ্ৰন্থৰ প্ৰসংগ উত্থাপন কৰে উপসমিতিৰ আহ্বায়ক দেৱজিৎ বৰাই। সেইদৰে মহিলাৰ অনুষ্ঠান 'আকাশ', শিশুৰ অনুষ্ঠান 'কুঁহি', যুৱক-যুৱতীৰ অনুষ্ঠান 'যুৱ সংসদ', সাংস্কৃতিক উপ-সমিতি, মাতৃভাষা-ৰাজ্যভাষা উপ-সমিতি আদি বিভিন্ন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি, আহ্বায়কসকলে নিজ কৰ্মসূচী, ভৱিষ্যত কৰ্মপন্থা সদৰী কৰে।

০০০০